# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 15-02-2025
**Time :** 17-15 Hrs

***Assamese EVENING Bulletin***

**:::::::::::::::::::::::::::::::::**

০০০০০

ৰাজ্যৰ ৯৪৪টা পৰীক্ষা কেন্দ্ৰত আজি চলিত বছৰৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰম্ভ হয়। এইবাৰ মুঠ ৪ লাখ ২৯ হাজাৰ ৪৪৮ গৰাকী পৰীক্ষাৰ্থী এই পৰীক্ষাত অৱতীৰ্ণ হয়। ইয়াৰ ভিতৰত এক লাখ ৯০ হাজাৰ ৬৫৩ গৰাকী ছাত্ৰ আৰু ২ লাখ ৩৮ হাজাৰ ৭৯৫ গৰাকী ছাত্ৰী আছে। পৰীক্ষাৰ্থীৰ সংখ্যা বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি এইবাৰ ৩১টা অতিৰিক্ত পৰীক্ষা কেন্দ্ৰৰ ব্যৱস্থা কৰা হৈছে আৰু ৪২টা মূল্যায়ন কেন্দ্ৰত উত্তৰ বহী মূল্যায়ন কৰা হ'ব। এইবাৰৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত ইংৰাজী, সমাজ বিজ্ঞান, সাধাৰণ বিজ্ঞান আৰু সাধাৰণ গণিত বিষয়ৰ অ' এম আৰ ছিটৰ চাৰিটাকৈ ছেট  আছে।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত হ'বলগীয়া এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ প্ৰস্তুতি সন্দৰ্ভত জনতা ভৱনত আয়োজিত এখন সংবাদমেলত সবিশেষ প্ৰকাশ কৰে। এই সন্মিলনত বৰ্তমানলৈ ৭ হাজাৰ প্ৰতিষ্ঠানে পঞ্জীয়ন কৰাৰ কথা প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে জাপানে অসমত এটা ভাষাকেন্দ্ৰ স্থাপন কৰিব। এই কেন্দ্ৰত ৯ মাহৰ বাবে বিশেষ প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হ'ব। প্ৰশিক্ষণ লোৱা লোকসকলে ভাৰতত থকা জাপানৰ প্ৰতিষ্ঠানসমূহত কাম কৰাৰ লগতে ৫০ হাজাৰ যুৱক-যুৱতী জাপানতো চাকৰি লাভ কৰিব। এই সন্দৰ্ভত অসম চৰকাৰে জাপানৰ সৈতে শীঘ্ৰেই এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিব। এই সংবাদমেলতে ড০ শৰ্মাই এডভাণ্টেজ আছামৰ প্ৰথম সংস্কৰণৰ সফলতাৰ কথা উল্লেখ কৰি কয়, যে এই শীৰ্ষ সন্মিলনৰ জৰিয়তে নতুন উদ্যোগ স্থাপনৰ এটা ধাৰা গঢ়ি উঠাৰ লগতে আন্তঃগাঁথনিৰো যথেষ্ট বিকাশ হৈছিল। দ্বিতীয় সংস্কৰণৰ জৰিয়তে ৰাজ্যখন অধিক উপকৃত হ'ব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। ঝুমইৰ বিনন্দিনী অনুষ্ঠানৰ জৰিয়তে চাহ উদ্যোগৰ ইতিহাস উদ্যাপন কৰা হ'ব বুলি উল্লেখ কৰি ড০ শৰ্মাই কয়, যে এই সন্মিলনত চাহ খণ্ডৰ বিকাশতো বিশেষভাৱে গুৰুত্ব দিয়া হ'ব। কিয়নো ২০০ বছৰীয়া অসমৰ চাহ উদ্যোগে ৰাজ্যখনৰ উদ্যোগৰ ইতিহাসো বহন কৰিছে। মুখ্যমন্ত্ৰীৰ আজিৰ এই সংবাদমেলত মন্ত্ৰী বিমল বৰাও উপস্থিত থাকে।

০০০০০

সৌৰ শক্তিৰ ব্যৱহাৰেৰে কৃষি খণ্ডৰ সৰলীকৰণৰ লক্ষ্যৰে আৰম্ভ কৰা **পি এম কুসুম** আঁচনিৰ অধীনত পঞ্জীয়ন আৰু আবেদনৰ বাবে পৰহিলৈ pmkusum.assam.gov.in শীৰ্ষক এটা প'ৰ্টেল মুকলি কৰা হ'ব। ৰাজ্য চৰকাৰৰ জলসিঞ্চন বিভাগৰ সহযোগত অসম শক্তি উন্নয়ন অভিকৰণৰ দ্বাৰা ৰূপায়ণ কৰা এই

আঁচনিৰ সুবিধাসমূহ গ্ৰহণ কৰিবলৈ কৃষকসকলৰ প্ৰতি ৰাজ্য চৰকাৰে আহ্বান জনাইছে। এই আঁচনিৰ অধীনত অতি পিছপৰা অঞ্চলৰ কৃষকসকলক সৌৰ পাম্প ব্যৱহাৰৰ সুবিধা প্ৰদানৰ লগতে কেন্দ্ৰীয় চৰকাৰৰ নতুন আৰু পুনৰ ব্যৱহাৰ যোগ্য শক্তি মন্ত্ৰালয় তথা ৰাজ্য চৰকাৰৰ দ্বাৰা ৮৬ শতাংশ ৰাজ সাহার্য প্ৰদান কৰা হ'ব। এই সুবিধা ন্যূনতম ২ হেক্টৰ সংলগ্ন কৃষি ভূমি থকাৰ লগতে কাৰ্যক্ষম বৰিঙৰ ব্যৱস্থা থকা যিকোনো এজন কৃষক অথবা কৃষকৰ গোট বা পানী ব্যৱহাৰকাৰী সংস্থাই সুবিধা লাভ কৰিব পাৰিব।

০০০০০

অসম চুক্তিৰ ৬ নম্বৰ দফা কাৰ্যকৰীকৰণ সন্দৰ্ভত কাইলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু সদৌ অসম ছাত্ৰ সন্থাৰ মাজত আলোচনা অনুষ্ঠিত হ'ব। এই বৈঠকত সাংবিধানিক ৰক্ষা কবচ সন্দৰ্ভত অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ অধ্যক্ষতাত গঠন কৰা উচ্চস্তৰীয় সমিতিৰ প্ৰতিবেদনৰ ভিত্তিত আলোচনা কৰা হ'ব। কাইলৈ দিছপুৰৰ লোকসেৱা ভৱনত এই আলোচনা অনুষ্ঠিত হ'ব। আলোচনাৰ বাবে সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা, সাধাৰণ সম্পাদক সমীৰণ ফুকন আৰু মুখ্য উপদেষ্টা সমুজ্জ্বল ভট্টাচাৰ্যলৈ ইতিমধ্যে আনুষ্ঠানিক আমন্ত্ৰণপত্ৰ প্ৰেৰণ কৰা হৈছে।

০০০০০

গোৱালপাৰা জিলাৰ অসম-মেঘালয় সীমান্তৰ বৰঝৰাৰ বৰজং বিল পৰিচালনা সমিতিয়ে আয়োজন কৰা বাহো উৎসৱত বহুলোকে সমূহীয়া মৎস চিকাৰত ভাগ লয়। বৰজং বিলৰ নান্দনিক পৰিৱেশত অঞ্চলটোৰ বহু হাজাৰ লোকে সমূহীয়া মৎস চিকাৰত ভাগ লয়। বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত ভাতৃত্ববোধ অধিক সুদৃঢ় কৰাৰ উদ্দেশ্যে বৰজং বিল উন্নয়ন সমিতিয়ে বিগত ৮ বছৰে এই মৎস্য চিকাৰৰ আয়োজন কৰি আহিছে। বাৰিষাৰ পূৰ্বে বিলত অনুষ্ঠিত সমূহীয়া মাছধৰা পৰ্বত গোৱালপাৰা জিলাৰ লগতে চুবুৰীয়া ৰাজ্য মেঘালয়ৰ পৰাও বহুলোকে অংশগ্ৰহণ কৰে।

০০০০০

বৰপেটাৰ বাটগাঁৱত জিলাখনৰ তাৰাবাৰী আৰক্ষীয়ে আজি বুজন পৰিমাণৰ নিচাযুক্ত টেবলেট আৰু কফ ছিৰাপৰ বটল জব্দ কৰে। ইয়াৰ লগতে আৰক্ষীয়ে প্ৰসেনজিৎ দাস নামৰ এজন ড্ৰাগছ ব্যৱসায়ীকো গ্ৰেপ্তাৰ কৰে। তাৰাবাৰী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া মৃণাল শৰ্মাৰ নেতৃত্বত চলোৱা অভিযানত প্ৰায় ২৯ হাজাৰ ট্ৰেমাড'ল হাইড্ৰ'ক্লৰিক টেবলেট, ৬০০ নাইট্ৰাজিপাম টেবলেট আৰু ১২০ বটল ক'ডিন ফছফেট জব্দ কৰা হয়। ইয়াৰ উপৰি নগদ ৬৮ হাজাৰ ৫৭০ টকা আৰু এটা মোবাইল ফোনৰ লগতে ড্ৰাগছ ব্যৱসায়ত ব্যৱহাৰ কৰা এখন চাৰিচকীয়া বাহনো আৰক্ষীয়ে জব্দ কৰে। ধৃত প্ৰসেনজিৎ দাস পূৰ্বৰে পৰাই অবৈধ ড্ৰাগছ ব্যৱসায়ৰ সৈতে জড়িত বুলি আৰক্ষীয়ে প্ৰকাশ কৰে।

০০০০০

অসম চৰকাৰৰ দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ উদ্যোগত ধুবুৰী জিলাৰ আগমনিত আজি লোক কৃষ্টি সংঘ গৌৰীপুৰৰ নাট্যগোষ্ঠীয়ে বাটৰ নাট প্ৰদৰ্শন কৰে। বানপানী তথা আন প্ৰাকৃতিক দুৰ্যোগৰ সময়ত ল'বলগীয়া সাৱধানতা আৰু পৰিস্থিতিৰ মুখামুখি হ'ব পৰাকৈ সজাগতা সৃষ্টিৰ উদ্দেশ্যে বাটৰ নাট প্ৰদৰ্শন কৰা হয়। দুদিনীয়া কাৰ্যসূচীৰে আয়োজিত এই বাটৰ নাট প্ৰদৰ্শন অনুষ্ঠানত এই ভ্ৰাম্যমান দলটোৱে মুঠ ১০ খন নাট পৰিৱেশন কৰিব।

গোলকগঞ্জ সম-জিলাৰ আয়ুক্ত জগদীশ ব্ৰহ্মই পতাকা জোকাৰি বাটৰ নাট কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। ইয়াৰ পূৰ্বে অনুষ্ঠিত সজাগতা সভাখনত সম-জিলা আয়ুক্ত উপস্থিত থকাৰ লগতে আগমনি চক্ৰ বিষয়া হৰেকৃষ্ণ ডেকা, আগমনি সংহত শিশু প্ৰকল্প উন্নয়ন বিষয়া পূৰ্ণিমা দাস আৰু ভালেমান বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ooooo

সমাপ্ত